ষী নথকা
তিবেদন
তি গগৈ,
মাধ্যমত
ৰ বিৰুদ্ধে
ৰা বুলি

বিশ্ব শৰ্মা


নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৩২৯ বৃহস্পতিবাৰ ২৯ আহিন ১৯৪৭ শক ১৬ অক্টোবৰ ২০২৫ চন ASOMIYA KHABAR JORHAT THURSDAY 16 OCTOBER 2025


সামাজিক মাধ্
জুবিনৰ ভুৱা মৰণ
প্ৰতিবেদন ঃ মুন



ষ্টাফ ৰিপৰ্টাৰ, ১৫ অ
আৰু মেছেজিং প্লেট
ৰাজপুত্ৰ জুবিন গা
চিকিৎসা মহাবিদ্যালয়

# কানৈ মহাবিদ্যালয়ত যোগীৰাজ বসু স্মাৰক বক্তৃতা

**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ অক্টোবৰ ঃ** ‘চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত। গঠনমূলক চলচ্চিত্ৰইহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে।’ অসম কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত অষ্টবিংশতিতম পণ্ডিতপ্ৰৱৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা পদ্মভূষণ জাহ্নু বৰুৱাই এইদৰে কয়। বক্তৃতাৰ আৰম্ভণিতে বৰুৱাই পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসু আৰু কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃত পাণ্ডিত্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ সংস্কৃতক শক্তিশালী ভাষা বুলি উল্লেখ কৰে আৰু সংস্কৃত ভাষাক মৃত ভাষা বুলি প্ৰচাৰ হোৱাতো এক দুখৰ বিষয় বুলি মত পোষণ কৰে। বৰুৱাই কয়— জীৱন কালত সকলো কাম অতি নিষ্ঠাসহকাৰে কৰি গ'লে তীব্ৰ গতিত আগুৱাই নগ'লেও হয়। মুখ্য দ্বাৰৰপৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে আদৰণি জনাই সভাগৃহলৈ নিয়া সভাখনত তেওঁ কয়— জ্ঞান সকলোৱে আহৰণ কৰে, সেই জ্ঞানক অপব্যৱহাৰ নকৰি সমাজ সংস্কাৰৰ সঠিক মাধ্যম হিচাপে প্ৰয়োগ কৰা উচিত। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড° মন্‌মী বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত নৱ প্ৰজন্মক উদ্দেশ্য কৰি তেওঁ কয়—নৱপ্ৰজন্মই নিজৰ আৰ্জিত জ্ঞান সঠিক দিশত ব্যৱহাৰ কৰি সমাজক আগুৱাই নিয়াত সহায় কৰিব পাৰে। আমি যি কৰ্ম কৰোঁ সেই কৰ্মৰ যাতে অপব্যৱহাৰ নহয় তাৰ প্ৰতি সজাগ হোৱা প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয়— চলচ্চিত্ৰই যাতে সমাজক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসুক শ্ৰদ্ধাৰে সুঁৱৰি কয় যে শিক্ষা মানে কেৱল মাথোঁ ডিগ্ৰী নহয়, শিক্ষা মানে চিন্তা কৰাৰ ক্ষমতা, এনে দৰ্শনত বিশ্বাসী মহা মানৱৰ গুণৰে সমৃদ্ধ ব্যক্তি ড° যোগীৰাজ বসুৱে সৃষ্টি কৰি যোৱা, গঢ়ি যোৱা প্ৰতিটো ভৱন, প্ৰতিটো কোঠা, প্ৰতিটো সৃষ্টি, কৰ্মৰাজি আজিও মহাবিদ্যালয়ৰ চৌহদৰ বতাহত ধ্বনিত হৈ আহিছে। বন্তি প্ৰজ্বলন আৰু মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠান উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদে প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসু, ড° লক্ষ্মী প্ৰসাদ দত্ত, অশ্বিনীচৰণ চৌধুৰী আৰু হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিক শ্ৰদ্ধাৰে সোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে পৰিৱেশন কৰা সমৱেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত ড° আহমেদে ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ ইতিহাস ৰোমন্থন কৰি উল্লেখ কৰে যে ১৯৮৫ চনত কানৈ কলেজ শিক্ষক গোটৰ সম্পাদক মুনিন শৰ্মাৰ নেতৃত্বত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু ড° বীৰেন্দ্ৰনাথ দত্তই প্ৰথমলানি বক্তৃতা প্ৰদান কৰিছিল। অসম কলেজ শিক্ষক সংস্থাৰ কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° মধুমিতা পুৰকায়স্থই সভাপতিত্ব কৰা সভাখনত পৰিচালনা সমিতিৰ সদস্য ড° গোপাল চন্দ্ৰ হাজৰিকা, জ্যোতি প্ৰসাদ কানৈ, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়েবক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষক গোটৰ তৰফৰ পৰা মুখ্য বক্তা বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদক চেলেং, স্মাৰক, কিতাপৰ টোপোলা প্ৰদান কৰি আদৰণি জনায়।